**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-06-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

স্বাস্থ্য সেৱাৰ উন্নয়নৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ জেইল ৰোডত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চিটী হাস্পতালৰ আধাৰশিলা স্থাপন কৰিব। বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত এছিষ্ট প্ৰকল্পৰ অধীনত ২০৬ কোটি টকা ব্যয় সাপেক্ষে ২৮ হাজাৰ ৮৪৪ বৰ্গ মিটাৰ এলেকাজুৰি এই হাস্পতালখন নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে ডিব্ৰুগড়ৰ ফুল বাগানৰ পুৰণি চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, চিকিৎসা, শিক্ষা আৰু গৱেষণা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। নতুনকৈ নিৰ্মাণ হ'বলগীয়া ছয় মহলাযুক্ত এই হাস্পতাল ভৱনত মাল্টি স্পেছিয়েলিটি আৰু অন্যান্য অত্যাধুনিক সুবিধাসমূহ উপলব্ধ হ'ব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ দুদিনীয়া ডিব্ৰুগড় ভ্ৰমণৰ সময়ত ডিব্ৰুগড়ৰ সচিবালয়ত মাজুলী, মাহমৰা, আৰু ধেমাজিৰ চিচিবৰগাঁৱকে ধৰি কেইবাটাও বিধানসভা সমষ্টিৰ উন্নয়নমূলক কামকাজৰ পৰ্যালোচনা কৰিব। ড০ শৰ্মাই দেওবাৰে দিহিং খামতিঘাটতো এখন ৰাজহুৱা সভাত ভাগ ল'ব।

0000000

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাই আজি চাবুৱাৰ বালিজানৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰিব। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ প্ৰথমটো বানত ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলত ব্যাপক ৰূপ ধাৰণ কৰাৰ লগতে বহু সা-সম্পত্তি ধ্বংস হৈছে। পৰৱৰ্তী সময়ত বালিজান, বিষ্কাকতা, বগৰীতলিয়া আদি অঞ্চলত খহনীয়াই তীব্ৰ ৰূপধাৰণ কৰি জনসাধাৰণৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। স্থানীয় বিধায়ক পোনাকন বৰুৱা, বিনোদ হাজৰিকাকে ধৰি জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে এই ভ্ৰমণকালত মন্ত্ৰী দুগৰাকীক সংগ দিব।

0000000

অসম চৰকাৰে লাচিত বৰফুকনৰ বীৰত্বপূৰ্ণ জীৱনগাথা সমগ্ৰ দেশতে প্ৰচাৰৰ বাবে দেশৰ ৪৫ হাজাৰ পুথিভঁড়াললৈ মহাবীৰ লাচিত বৰফুকন শীৰ্ষক এখনি গ্ৰন্থ প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰকাশন পৰিষদক লাচিত বৰফুকনৰ জীৱন সন্দৰ্ভত এখন গ্ৰন্থ ৰচনা কৰি ভাৰতৰ সংবিধান স্বীকৃত আঠাইকেইটা ভাষালৈ অনুবাদ কৰাৰ বাবে দায়িত্ব অৰ্পন কৰিছিল। এই অনুসৰি প্ৰকাশন পৰিষদে বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ পুথি ভঁৰালৰ লগতে সমগ্ৰ দেশৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত পুথিভঁৰালসমূহলৈ গ্ৰন্থখনৰ দুটাকৈ কপি প্ৰেৰণ কৰিছে। অসম প্ৰকাশন পৰিষদে বিশিষ্ট লেখক অৰূপ কুমাৰ দত্তক গ্ৰন্থখন ৰচনাৰ দায়িত্ব দিছিল। শ্ৰী দত্তই ৰচনা কৰা **আচামছ্ ব্ৰেভহাৰ্ট লাচিত বৰফুকন** নামৰ মূল গ্ৰন্থখনৰ পৰা মুঠ ২৪ টা ভাষালৈ ইয়াক অনুবাদ কৰা হয়। নিৰ্দিষ্ট সময়ৰ ভিতৰত সংবিধান স্বীকৃত আঠাইকেইটা ভাষালৈ গ্ৰন্থখন অনুবাদ কৰাৰ বাবে সমগ্ৰ দেশতে মুঠ ২৩ গৰাকী অনুবাদকক দায়িত্ব অৰ্পন কৰা হৈছিল। এই অনুবাদ কাৰ্য্য শেষ হোৱাৰ

পাছত ২৩ টা ভাষাৰ পৰা একোগৰাকীকৈ সম্পাদকক গ্ৰন্থখন সম্পাদনা কৰাৰ বাবে প্ৰকাশন পৰিষদে নিযুক্তি দিছিল। দেশৰ কেইবাখনো আগশাৰীৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে তেওঁলোকৰ পুথিভঁড়ালৰ গুৰুত্বপূৰ্ণ গ্ৰন্থৰ তালিকাত এই গ্ৰন্থখনো ৰাখিছে বুলি অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জানিবলৈ দিয়ে।

০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ চৌহদত যোৱা ১১ জুনৰ পৰা আৰম্ভ হোৱা পুলিবাগান, গছৰোপণ প্ৰযুক্তি আৰু কৃষি বনানীকৰণৰ তিনিদিনীয়া দক্ষতা বিকাশ প্ৰশিক্ষণৰ কালি সামৰণি পৰে। অসম কৃষি বনানীকৰণ উন্নয়ন বোৰ্ডৰ পৃষ্ঠপোষকতাত আৰু প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত গোলাঘাটৰ মেৰাপানী অঞ্চলৰ ২০ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। ডঃ ৰাজীৱ কুমাৰ বৰাই সাঁচিগছ আৰু ইয়াৰ গুৰুত্ব, ৰোপন আৰু ব্যৱস্থা, কৃত্ৰিম পদ্ধতিৰে ভেকুৰ প্ৰক্ষেপন আদি বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰে। দ্বিতীয় দিনৰ কাৰ্যসূচীত বীজ সংগ্ৰহ, অংকুৰণ, সুপ্তাৱস্থা, জীৱন ধাৰণ ক্ষমতা আৰু সংৰক্ষণ আদি বিষয়সমূহ সামৰি ডঃ মিতালী মেহতাই আলোচনা আগবঢ়ায়। প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত প্ৰতিষ্ঠানৰ সঞ্চালক ডঃ নীতিন কুলকাৰ্ণিয়ে কালি অংশগ্ৰহণকাৰীসকলৰ মাজত প্ৰমাণপত্ৰ বিতৰণ কৰে।

০০০০০০০

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যান বিভাগৰ উদ্যোগত যোৰহাটত কালি কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ১০ লাখ টকা মূল্যৰ ক্ৰীড়া সামগ্ৰী বিতৰণ কৰে। সমষ্টি পৰ্যায়ৰ বিত্তীয় অনুদান আঁচনিৰ অধীনত অসমৰ সকলো বিধানসভা সমষ্টি সামৰি ১২৬ টা অগ্ৰণী যুৱক সংঘ বা ক্ৰীড়া সন্থালৈ বিভিন্ন ক্ৰীড়া সামগ্ৰী যোগান ধৰাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপৰ অংশ হিচাপে যোৰহাটৰ ঘৰফলিয়া গাঁৱৰ ৰমাকান্ত সমাজ কল্যাণ সংঘত কালি ক্ৰীড়া সামগ্ৰীসমূহ বিতৰণ কৰা হয়।

০০০০০০০

বিশিষ্ট গীতিকাৰ, সুৰকাৰ জাহেদ হাজৰিকাৰ কালি যোৰহাটৰ মহাত্মাগান্ধী পথৰ নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৩ বছৰ। জাহেদ আলীৰ মৃত্যুত যোৰহাটৰ সাংস্কৃতিক জগতত শোকৰ ছাঁ পৰে।

০০০০০০০

**সমাপ্ত**